# চিঠি - শীলভদ্ৰ

---

## অতি চমু প্ৰশ্ন - মূল্যাংকঃ ১

প্ৰশ্ন ১.‘চিঠি’ গল্পটো শীলভদ্ৰৰ কোনখন সংকলনৰ পৰা লোৱা হৈছে ?

উত্তৰঃ ‘চিঠি’ গল্পটো শীলভদ্ৰৰ ১৯৯৪ চনত প্ৰকাশিত ‘চিঠি আৰু অনান্য গল্পৰ সংকলন’ৰ পৰা লোৱা হৈছে ।

প্ৰশ্ন ২.শীলভদ্ৰই কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বটাঁ লাভ কৰিছিল?

উত্তৰঃ শীলভদ্ৰই ১৯৯৪ চনত প্ৰকাশিত ‘মধুপুৰ বহুদুৰ’ গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বটা লাভ কৰিছিল ।

প্ৰশ্ন ৩.কাৰ চিঠিৰ বাবে ভূদেৱ চৌধুৰীয়ে অপেক্ষা কৰি আছিল?

উত্তৰঃ অতিকৈ ঘনিষ্ঠ পুৰণা বন্ধু প্ৰশান্ত শৰ্মাৰ চিঠিৰ বাবে ভূদেৱ চৌধুৰীয়ে অপেক্ষা কৰি আছিল । লগতে, আন এক প্ৰসংগত আমি পাওঁ যে ভূদেৱ চৌধুৰী কিছুদিন বাগানত থকাৰ সময়ত পৰিবাৰৰ চিঠিৰ বাবেও তেওঁ অপেক্ষা কৰি আছিল ।

প্ৰশ্ন ৪. প্ৰশান্ত শৰ্মাৰ মৃত্যুৰ খবৰটো ভূদেৱ চৌধুৰীক কোনে দিছিল?

উত্তৰঃ প্ৰশান্ত শৰ্মাৰ মৃত্যুৰ খবৰটো ভূদেৱ চৌধুৰীক প্ৰশান্ত শৰ্মাৰ ভতিজা ল’ৰা এজনে দিছিল ।

প্ৰশ্ন ৫. ভূদেৱ চৌধুৰী টিংখঙলৈ কিয় গৈছিল?

উত্তৰঃ ভূদেৱ চৌধুৰী বাগানৰ কামৰ খাতিৰত টিংখঙলৈ গৈছিল ।

প্ৰশ্ন ৬.শীলভদ্ৰই কোনখন উপন্যাসৰ বাবে , কোন চনত অসম প্ৰকাশন পৰিষদ বঁটা লাভ কৰিছিল ?

উত্তৰঃ ১৯৯০ চনত ‘ অনুসন্ধান ’ উপ্যনাসৰ বাবে ।

## চমু প্ৰশ্ন – মূল্যাংকঃ ২/৩

প্ৰশ্ন ১.‘চিৰ্ঠি’ গল্পটোত ভূদেৱ চৌধুৰীয়ে কাৰ কাৰ চিৰ্ঠিৰ বাবে অপেক্ষা কৰাৰ কথা আছে?

উত্তৰঃ ‘চিৰ্ঠি’ গল্পটোত ভূদেৱ চৌধুৰীয়ে শৈশৱৰ ঘনিষ্ঠ বন্ধু প্ৰশান্ত শৰ্মা আৰু নিজৰ পৰিবাৰৰ পৰা আহিব পৰা চিৰ্ঠিৰ বাবে অপেক্ষা কৰাৰ কথা আছে ।

প্ৰশ্ন ২.শীলভদ্ৰই লাভ কৰা দুটা বঁটাৰ নাম লিখা।

উত্তৰঃ শীলভদ্ৰই সাহিত্য কৰ্মৰ স্বীকৃতি হিচাপে কেইবাটাও বঁটা লাভ কৰিছিল । তাৰ ভিতৰত দুটা হল – ১৯৯০ চনত অনুসন্ধান উপন্যাসৰ বাবে ‘অসম প্ৰকাশন পৰিষদ বঁটা’ আৰু সাহিত্য ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে ২০০২ চনৰ ‘অসম উপত্যকা বঁটা’ ।

প্ৰশ্ন ৩.ভূদেৱ চৌধুৰীয়ে প্ৰশান্ত শৰ্মালৈ কিয় চিৰ্ঠি লিখিছিল?

উত্তৰঃপ্ৰশান্ত শৰ্মা আৰু ভূদেৱ চৌধুৰী, দুয়ুজন বন্ধুৰে অৱসৰ লোৱাৰ কেইবা বছৰো পাৰ হ’ল আৰু চহৰৰ ভিন্ন প্ৰান্তত বাস কৰে । যোগসূত্ৰ ৰাখিবলৈ বিচাৰিলেও তেওঁলোকৰ দুয়ুৰে গাড়ী আৰু ফোন নাই । চিটি বাছত যথেষ্ট ভিৰ হোৱা বাবে উঠিবলৈ ভয় কৰে । সেয়েহে, এনে এক

পৰিস্থিতিত পুৰণা বন্ধু প্ৰশান্ত শৰ্মালৈ এখন চিঠি লিখি ভূদেৱ চৌধুৰীয়ে যোগসূত্ৰ ৰক্ষাৰ বাবে চেষ্টা কৰিছিল ।

প্ৰশ্ন ৪.কাৰ চিঠি পুৰুষানুক্ৰমে সঞ্চয় কৰি থবলগীয়া সম্পত্তি বুলি কোৱা হৈছে ? তেওঁৰ চিঠি কিয় মূল্যবান?

উত্তৰঃ ‘চিঠি’ নামৰ গল্পটিত ৰবীন্দনাথ ঠাকুৰৰ চিঠি পুৰুষানুক্ৰমে সঞ্চয় কৰি থবলগীয়া সম্পত্তি বুলি কোৱা হৈছে ।

প্ৰকৃত অৰ্থত চিঠি এখনেই চিঠিৰ মূল্য । সেয়ে ৰবীন্দনাথ ঠাকুৰৰ মৃত্যুৰ পঞ্চাশ বছৰ পিছতো এতিয়াও বঙালী আলোচনীত তেখেতৰ চিঠিবোৰ ছপা হৈ আছে । পৰিচিত অপৰিচিত অজস্ৰ মানুহে ৰবীন্দ্ৰনাথ ঠাকুৰক চিঠি প্ৰেৰণ কৰিছিল । কিবা এটা উত্তৰ পালে, সেয়াই তেওঁৰ অমূল্য সম্পদ হিচাপে বিবেচিত হৈছিল । এইবোৰে, পুৰুষানুক্ৰমে সঞ্চয় কৰি থবলগীয়া সম্পত্তি স্বৰুপ ।

প্ৰশ্ন৫.বৰ্তমান সময়ত চিঠিৰ প্ৰাসঙ্গিকতা কিয় কমি গ’ল?

উত্তৰঃ এসময়ত চিঠিয়েই আছিল মানুহৰ একমাত্ৰ যোগাযোগৰ মাধ্যম । কিন্তু বৰ্তমান সময়ত বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ বিকাশে মানুহৰ মাজত যোগাযোগ দ্ৰুত কৰি পেলালে । যাৰ ফলত চিঠিৰ প্ৰাসঙ্গিকতা কমি গ’ল আৰু পূৰ্বৰ চিঠিকেন্দ্ৰিক মধুৰতা মানুহৰ মাজত হেৰাই গ’ল ।

## দীঘলীয়া প্ৰশ্ন – মূল্যাংকঃ ৪

প্ৰশ্ন ১.শীলভদ্ৰৰ সাহিত্য-কৃতিৰ চমু পৰিচয় দিয়া

উত্তৰঃ শীলভদ্ৰ ৰামধেনু যুগৰ এগৰাকী সুনিপুন চুটিগল্প লেখক । তেওঁৰ প্ৰকৃত নাম ৰেৱতীমোহন দত্তচৌধৰী । সাহিত্য ৰচনাৰ বাবে তেওঁ ‘শীলভদ্ৰ’ নাম গ্ৰহণ কৰে । শীলভদ্ৰই সাহিত্যিক জীৱন আৰম্ভ কৰে উপন্যাস ৰচনাৰে । ১৯৭১ চনত তেওঁৰ প্ৰথম উপন্যাস সংকলন মধুপুৰ

আৰু তৰংগিনী প্ৰকাশ পায় । তেওঁ উপন্যাস ৰচনা কৰে যদিও গল্পকাৰ হিচাপেহে অধিক খ্যাতি অৰ্জন কৰে ।

১৯৭৫ চনত তেওঁৰ প্ৰথম গল্প সংকলন ‘বাস্তৱ’ প্ৰকাশ পায় । ইয়াৰ পাছত তেওঁ কুৰিখনৰো অধিক গল্প সংকলন প্ৰকাশ পায় । তাৰে কেইখনমান হ’ল – কোনো ক্ষোভ নাই, সমুদ্ৰতীৰ, তৰুৱা কদম, উত্তৰণ, দায়িত্ব আৰু অনান্য গল্প, আকৌ মধুপুৰ, মধুপুৰ বহুদূৰ, তৰ্পণ, চিঠি আৰু অনান্য গল্প, আপোন মানুহ, জীৱনৰ ৰং ইত্যাদি ।

শীলভদ্ৰই ‘ৰিপভান উইংকল আৰু কেইটামান গল্প’ আৰু ‘ৰূপান্তৰ’ নামৰ দুখন গ্ৰন্থ অনুবাদো কৰিছিল । ১৯৯০ চনত ‘অনুসন্ধান’ উপন্যাসৰ বাবে শীলভদ্ৰই ‘অসম প্ৰকাশন পৰিষদ বঁটা’, ১৯৯২ চনত ‘দায়িত্ব আৰু অন্যান্য গল্প’ সংকলনৰ বাবে ‘ভাৰতীয় ভাষা পৰিষদৰ বঁটা’ আৰু ১৯৯৪ চনত ‘মধুপুৰ বহুদূৰ’ গল্প সংকলনৰ বাবে ‘সাহিত্য অকাদেমি বঁটা’ লাভ কৰে । সাহিত্য ক্ষেত্ৰলৈ আগবাঢ়োৱা জীৱনজোৰা অৱদানৰ বাবে ২০০২ চনত তেখেতক ‘অসম উপত্যকা সাহিত্য’ বটাৰে সন্মানিত কৰা হয় ।

প্ৰশ্ন ২. ‘চিঠি’ চুটি গল্পটিৰ কাহিনীভাগ চমুকৈ তোমাৰ নিজৰ ভাষাত লিখা ।

উত্তৰঃ শীলভদ্ৰৰ চিঠি নামৰ চুটিগল্পটি এখন চিঠি আৰু সেই চিঠিখনৰ লগত জড়িত মানুহৰ অন্তৰৰ আবেগ অনুভূতিক কেন্দ্ৰ কৰি গড় লৈ উঠিছে । চাকৰিৰ পৰা অৱসৰৰ পিছত অনুভৱ হোৱা একাকীত্বৰ পৰা মুক্তি বিচাৰি আৰু মনেমিলা বন্ধুৰ সান্নিধ্য লাভৰ আনন্দ বিচাৰি ভূদেব চৌধুৰীয়ে নিজৰ পুৰনা বন্ধু প্ৰশান্ত শৰ্মালৈ এখন চিঠি লিখি পঠিয়ালে ।

অধীৰ অপেক্ষাৰে চিঠি উত্তৰলৈ বাট চাই থকাৰ সময়তে তেওঁ জানিব পাৰিলে যে প্ৰশান্ত শৰ্মা মানুহজন ঢোকাল । শৰ্মাৰ ঘৰত খবৰ লবলৈ গৈ ভুদেৱ চৌধুৰীয়ে গম পালে যে মৃত্যুৰ আগতে শৰ্মাৰ ঘৰখনত চিঠিখনে এক আনন্দময় পৰিবেশৰ সৃষ্টি কৰিছিল । আনকি প্ৰশান্ত শৰ্মাই চিঠিৰ

উত্তৰ দিবলৈ এটা লেফাফাও যোগাৰ কৰিছিল। কিন্তু সেয়া হৈ নুঠিল। কথাখিনি গম পাই ভূদেৱ চৌধুৰীৰ হৃদয় শোকত উথলি উঠিছিল। চৌধুৰীয়ে নিজে যিখিনি আনন্দৰ বাবে বাট চাই আছিল, সেইখিনি আনন্দ বন্ধু প্ৰশান্ত শৰ্মাই লাভ কৰিলে – তাকে উপলব্ধি কৰি তেওঁ আবেগিক হৈ পৰিল।

এনেদৰে অপ্ৰাপ্তিৰ মাজতো লুকাই থকা মধুৰতা গল্পটিৰ মাজত সুন্দৰ ৰূপে ফুটি উঠিছে।

প্ৰশ্ন ৩. ভূদেৱ চৌধুৰীৰ চিঠিখনে প্ৰশান্ত শৰ্মাৰ ঘৰত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল ?

উত্তৰঃ ভূদেৱ চৌধুৰীৰ মূল্যৱান চিঠিখনে প্ৰশান্ত শৰ্মাৰ ঘৰত এক আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি কৰিছিল। পুৰণি বন্ধু চৌধুৰীৰ চিঠিখন পাই প্ৰশান্ত শৰ্মা ইমানেই অভিভূত হৈ পৰিছিল যে তেওঁলোকৰ ঘৰলৈ যিয়েই গৈছিল তাকেই তেওঁ চিঠিখন দেখুৱাইছিল। তদুপৰি মুখতো কেৱল বন্ধুৰ কথাকেই ওলাইছিল –একেলগে কি কৰিছিল, ক'ত গৈছিল, সেইবোৰকে প্ৰশান্ত শৰ্মাই সকলোৰে আগত কৈছিল। আনকি উত্তৰ দিবৰ নিমিত্তে এটা লেফাফাও পুতেকৰ হতুৱাই আনি থৈছিল। প্ৰশান্ত শৰ্মাৰ খবৰ লবলৈ যাওঁতে শৰ্মাৰ পুত্ৰ, কন্যা আৰু পত্নীয়ে এই কথাখিনি ভুদেৱ চৌধুৰীক ব্যক্ত কৰিছিল।

কথাখিনি গম পাই ভূদেৱ চৌধুৰীৰ হৃদয় শোকত উথলি উঠিছিল। চৌধুৰীয়ে নিজে যিখিনি আনন্দৰ বাবে বাট চাই আছিল, সেইখিনি আনন্দ বন্ধু প্ৰশান্ত শৰ্মাই লাভ কৰিলে – তাকে উপলব্ধি কৰি তেওঁ আবেগিক হৈ পৰিল। এনেদৰে অপ্ৰাপ্তিৰ মাজতো লুকাই থকা মধুৰতা গল্পটিৰ মাজত সুন্দৰ ৰূপে ফুটি উঠিছে।

প্ৰশ্ন ৪.আপোনজনৰ পৰা চিঠি পোৱা আৰু আপোনজনৰ চিঠিৰ বাবে অপেক্ষা কৰি থকা মধুৰতা 'চিঠি' গল্পত কেনেদৰে প্ৰকাশ পাইছে বুজাই লিখা।

উত্তৰঃ গল্পকাৰ শীলভদ্ৰ ‘চিঠি’ চুটিগল্পটিত চিঠিক কেন্দ্ৰ কৰি সৃষ্টি হোৱা মধুৰতাখিনি সুন্দৰ ৰূপত ফুটি উঠিছে। এসময়ত চিঠিয়েই আছিল মানুহৰ যোগাযোগৰ প্ৰধান মাধ্যম। এখন চিঠিৰ বাবে কৰা অপেক্ষাৰ সময়খিনিও মধুৰতম। চাকৰিৰ পৰা অৱসৰ গ্ৰহনৰ পিছত একাকীত্বৰ পৰা মুক্তি পাবলৈ ভূদেৱ চৌধুৰীয়ে পুৰণি বন্ধু প্ৰশান্ত শৰ্মালৈ এখন চিঠি লিখিছিল। তাৰ পিছদিনাৰে পৰা তেওঁ চিঠিৰ উত্তৰৰ বাবে অপেক্ষা কৰিছিল। চৌধুৰীয়ে চিঠি অহাৰ সময়খিনিত বাহিৰৰ কোঠাত বহি বাটৰ ফালে দৃষ্টি নিবদ্ধ কৰি ৰাখে। কেতিয়াবা কিবা কাৰণত পিয়নজন অহাৰ সময়খিনিত ঘৰত নাথাকিলে ঘৰলৈ উভতি আহিয়েই চৌধুৰীয়ে পৰিবাৰক চিঠি পত্ৰ কিবা আহিছে নেকি’ বুলি প্ৰশ্ন কৰে।

আন এক প্ৰসংগ অনুসৰি, বিয়াৰ পিছত চৌধুৰীয়ে পৰিবাৰক কিছুদিনৰ বাবে গাঁৱৰ ঘৰত থৈ বাগানত থকা দিনকেইটাত তেওঁ পত্নীৰ পৰা আহিব লগা চিঠিখনৰ বাবে ব্যকুল হৈ অপেক্ষা কৰিছিল। আনকি কেতিয়াবা চাইকেলখন লৈ তেওঁ বাগানৰ পৰা টিংখঙলৈ চাৰি মাইল বাট আগুৱাই গৈছিল। কাৰণ তিনিবজাত ডাকোৱালজন আহি বাগান পোৱালৈ তেওঁ ধৈৰ্য ধৰি ৰৈ থাকিব নোৱাৰিছিল।

আনফালে আকৌ ভূদেৱ চৌধুৰীৰ পৰা হঠাতে চিঠিখন পাই প্ৰশান্ত শৰ্মা আনন্দত আত্মহাৰা হৈ পৰিছিল। সকলোকে চৌধুৰীৰ কথা কৈ ব্যতিব্যস্ত হৈ পৰিছিল। চৌধুৰীৰ লগত কটোৱা প্ৰতিটো মুহূৰ্ত, প্ৰতিটো কথাই শৰ্মাই আনৰ আগত কৈছিল। ঘৰলৈ কোনোৱা আলহী আহিলেও তেওঁ চৌধুৰীৰ চিঠিখন দেখুৱাইছিল।

এনেদৰে ‘চিঠি’ গল্পটিত আপোনজনৰ পৰা পোৱা চিঠিৰ মাধুৰ্যতাখিনি অতি আকৰ্ষণীয় ৰূপত প্ৰকাশ পাইছে।

প্ৰশ্ন ৫.‘চিঠি’ গল্পটিৰ নামকৰণৰ সাৰ্থকতা বিচাৰ কৰা।

উত্তৰঃ ‘চিঠি’ গল্পটিৰ নামকৰণৰ সাৰ্থকতা বিভিন্ন দিশত দেখা যায়। বিশেষকৈ বিষয়বস্তুৰ ইংগিত, মূল চৰিত্ৰৰ পৰিচয়, কেন্দ্ৰীয় ভাৱ ইত্যাদি।

গল্পৰ বিষয়বস্তু চিঠিক লৈয়ে গঢ় লৈ উঠিছে। ভূদেৱ চৌধুৰীয়ে তেওঁৰ শৈশৱৰ বন্ধু প্ৰশান্ত শৰ্মালৈ চিঠি পঠিয়াই উত্তৰৰ বাবে অপেক্ষা কৰিছে। প্ৰসঙ্গক্ৰমে ৰবীন্দ্ৰনাথ ঠাকুৰে বিভিন্ন জনলৈ লিখা চিঠিবোৰৰ গুৰুত্বৰ কথা কোৱা হৈছে। লগতে ভূদেৱ চৌধুৰী ঘৰৰ পৰা আঁতৰত থাকোঁতে পত্নীৰ চিঠিৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰাৰ কথাও উল্লেখ কৰা হৈছে।

আকৌ এখন চিঠিয়েই হ’ল ঘটনাৰ কেন্দ্ৰবিন্দু। চৌধুৰীয়ে শৰ্মালৈ প্ৰেৰণ কৰা চিঠিখনক কেন্দ্ৰ কৰি দুখন ঘৰত উৎকন্ঠা আৰু আনন্দময় পৰিৱেশৰ সৃষ্টি হৈছে। চিঠিৰ উত্তৰ লিখাৰ পৰিকল্পনা প্ৰশান্ত শৰ্মাৰ মৃত্যুৰ লগে লগেই শেষ হৈছে। আনকি বন্ধুৰ মৃত্যুৰ খবৰ লবলৈ যোৱা ভূদেৱ চৌধুৰীক সকলোকে সেই চিঠিখনৰ কথাকে কৈছে।

এনেদৰে বিশ্লেষন কৰিলে দেখা যায় যে এখন চিঠিক অৱলম্বন কৰিয়েই ঘটনাৰ চকৰি ঘূৰিছে। সেয়েহে ‘চিঠি’ গল্পটিৰ নামকৰণ সাৰ্থক হৈছে বুলিব পাৰি।